**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ফ্ৰান্স আৰু শ্ল’ভাকিয়া ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ফ্ৰান্সৰ নিছত উপস্থিত হৈছে।

২। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০২৬ উদযাপনৰ অংশ হিচাপে আয়ুষ মন্ত্ৰালয়ে আজি পুৱা বিশ্বব্যাপী অনলাইন যোগ কাৰ্যসূচী অনুষ্ঠিত কৰিছে।

৩। হিমাচল প্ৰদেশত ড্ৰোনৰ জৰিয়তে ডাক সেৱাৰ শুভাৰম্ভৰ পাছতে অসমতো শীঘ্ৰে এই সেৱা প্ৰৱৰ্তনৰ পৰিকল্পনা কৰা বুলি কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰালয়ে সদৰী কৰিছে।

৪। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে চন্দ্ৰ অভিযানক এটা নতুন মাত্ৰা প্ৰদানৰ প্ৰস্তুতি চলাইছে। *আৰু*

৫। আইচিচি মহিলা টি-২০ ক্ৰিকেট বিশ্বকাপত আজি ভাৰত নিজৰ প্ৰথমখন খেলত পাকিস্তানৰ মুখামুখি হ’ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ফ্ৰান্স আৰু শ্ল’ভাকিয়া ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ফ্ৰান্সৰ নিছত উপস্থিত হৈছে। এই ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ’ৰ সৈতে আলোচনাত মিলিত হ’ব আৰু যৌথভাৱে **ভাৰত ইন’ভেটছ** মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে জি-ছেভেন শীৰ্ষ সন্মিলনতো অংশগ্ৰহণ কৰিব। শ্ৰীমোদী নিছত উপস্থিত হোৱাৰ লগে লগে হোটেল নেগ্ৰেছকোত প্ৰবাসী ভাৰতীয়সকলে তেওঁক সম্বৰ্ধনা জনায়। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে ফৰাচী আৰু ইটালীৰ শিল্পীসকলে কথক, ওডিচী আৰু ভাৰতনাট্যম নৃত্য প্ৰদৰ্শন কৰে। ভাৰতীয় সময়ৰ অনুসৰি আজি দিনৰ আঢ়ৈ বজাত প্ৰধানমন্ত্ৰী শ্ৰীমোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ’ই যৌথভাৱে **ভাৰত ইন’ভেটছ** মুকলি কৰাৰ লগতে প্ৰযুক্তি, প্ৰতিৰক্ষা, উদ্ভাৱন আৰু কৌশলগত বিষয়কে ধৰি গুৰুত্বপূৰ্ণ খণ্ডসমূহত সহযোগিতাৰ বাবে দ্বিপাক্ষিক আলোচনাত মিলিত হ’ব। ফ্ৰান্সৰ পৰা প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ল’ভাকিয়ালৈ যাত্ৰা কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিছৰ প্ৰবাসী ভাৰতীয়সকলে তেওঁক জনোৱা অভিনন্দনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা প’ষ্টত শ্ৰীমোদীয়ে এই মুহূৰ্তটো স্মৰণীয় বুলি অভিহিত কৰি কয়, যে ঘৰৰ পৰা বহু কিলোমিটাৰ দূৰৈত থকাৰ পাছতো ভাৰতৰ সৈতে প্ৰবাসী ভাৰতীয়সকলৰ বন্ধন পূৰ্বৰ দৰেই সুদৃঢ় হৈ আছে।

ooooo

শ্ল’ভাকিয়াত থকা ভাৰতৰ ৰাষ্ট্ৰদূত অপূৰ্বা শ্ৰীবাস্তৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শ্ল’ভাকিয়া ভ্ৰমণে দুয়োখন দেশৰ মাজত সহযোগিতাৰ নতুন পথ মুকলি কৰিব আৰু অৰ্থনৈতিক সম্পৰ্ক গভীৰ কৰাত

সহায় কৰিব। শ্ল’ভাকিয়াৰ ব্ৰাটিছলাভাৰ আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা বতৰাত তেওঁ এইদৰে কয়—

**বাইট (ৰাষ্ট্ৰদূত অপূৰ্ব শ্ৰীবাস্তৱ)**

০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০২৬ উদযাপনৰ অংশ হিচাপে আয়ুষ মন্ত্ৰ্যালয়ে মুৰাৰ্জী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠান আৰু হেবিল্ডৰ সহযোগত আজি পুৱা বিশ্বব্যাপী অনলাইন যোগ কাৰ্যসূচী অনুষ্ঠিত কৰিছে। পুৱা ৬ বাজি ১৫ মিনিটত আৰম্ভ হোৱা এই কাৰ্যসূচী পুৱা ৭ বাজি ৩৫ মিনিটত সমাপ্ত হ’ব। এই অনলাইন যোগাসন কাৰ্যসূচীত ১৩০ খনতকৈও অধিক দেশে অংশগ্ৰহণ কৰিছে। আয়ুষ মন্ত্ৰী প্ৰতাৰ ৰাও যাদৱেও এই কাৰ্যসূচী অংশগ্ৰহণ কৰিছে। আয়ুষ মন্ত্ৰ্যালয়ে কয়, যে এই অনুষ্ঠানৰ লক্ষ্য হৈছে ইউ টিউব লাইভ যোগা ষ্ট্ৰিমৰ বাবে সৰ্বাধিক দৰ্শকৰ নতুন বিশ্ব অভিলেখ গঢ়ি তোলা। মন্ত্ৰ্যালয়ে সমগ্ৰ বিশ্বৰ জনসাধাৰণক যোগাসনকাৰী শিক্ষানুষ্ঠান আৰু প্ৰবাসী ভাৰতীয়সকলক এই কাৰ্যসূচীত যোগদান কৰি ঐতিহাসিক প্ৰচেষ্টাত অৰিহণা যোগাবলৈ আমন্ত্ৰণ জনায়। এই পদক্ষেপে যোগৰ সাৰ্বজনীন আৰু সামগ্ৰিক প্ৰসাৰৰ বাবে শক্তিশালী আহিলা হিচাপে কাম কৰিব বুলি আশা কৰা হৈছে। বৃহৎ সংখ্যক লোকৰ অংশগ্ৰহণৰ জৰিয়তে এই কাৰ্যসূচীয়ে ভৌগোলিক, সাংস্কৃতিক আৰু ভাষাৰ সীমা অতিক্ৰম কৰা জীৱন শৈলী হিচাপে যোগ বাৰ্তাক শক্তিশালী কৰাটোৱে হৈছে এই অনুষ্ঠানৰ মূল লক্ষ্য।

০০০০০

বিগত ১২ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াসৰ নীতিৰ দ্বাৰা পৰিচালিত ভাৰতে এক উল্লেখযোগ্য পৰিৱৰ্তনৰ সন্মুখীন হৈছে। এই সময়ছোৱাত মোদী চৰকাৰে দৰিদ্ৰ, কৃষক, মহিলা আৰু যুৱক-যুৱতীসকলৰ কল্যাণ আৰু সৱলীকৰণৰ বাবে ভালেসংখ্যক ধবজাবাহী পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই হিমাচল প্ৰদেশত ডাক বিভাগৰ এটি বৈপ্লৱিক সেৱাৰ শুভাৰম্ভ কৰিছে। এতিয়াৰে পৰা ড্ৰোনৰ সহায়ত পাহাৰীয়া আৰু দুৰ্গম অঞ্চললৈ ডাক সামগ্ৰী সৰবৰাহ কৰা হ’ব। এই সেৱা প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ মাণ্ডিৰ মুখ্য ডাকঘৰ আৰু ৰেহৰধৰ শাখা ডাকঘৰৰ মাজত আৰম্ভ কৰা হৈছে।

পৰম্পৰাগত পথত ১২ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিবলৈ প্ৰয়োজন হোৱা প্ৰায় দুঘণ্টাৰ অধিক সময়ৰ পৰিৱৰ্তে ড্ৰোনৰ ব্যৱহাৰৰ ফলত এতিয়া মাত্ৰ সাত মিনিটতে অতিক্ৰম কৰিব পৰা যাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গ্ৰামীণ ডাক সেৱকসকলৰ সৈতে হোৱা আলোচনাৰ সময়ত এই সেৱাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত অৱগত হৈছিল।

যোগাযোগ মন্ত্ৰালয়ে জনোৱা অনুসৰি, অহা দুই-তিনি মাহৰ ভিতৰত হিমাচল প্ৰদেশৰ লগতে অসমৰ প্ৰায় ১৫০টা নিৰ্বাচিত পথতো এই অত্যাধুনিক সেৱা সম্প্ৰসাৰণ কৰা হ’ব। অসমৰ দৰে নদীমাতৃক আৰু চৰ-চাপৰি থকা অঞ্চলৰ বাবে এই প্ৰযুক্তি এটি মাইলৰ খুঁটি হিচাপে বিবেচিত হ’ব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে চন্দ্ৰ অভিযানক এটা নতুন মাত্ৰা প্ৰদানৰ প্ৰস্তুতি চলাইছে। সংস্থাটোৱে পাৰমাণৱিক শক্তি বিভাগৰ সৈতে যৌথভাৱে অত্যাধুনিক 'কৃত্ৰিম

তাপ প্ৰণালী' বিকশিত কৰিছে, যাৰ জৰিয়তে ভৱিষ্যতে চন্দ্ৰযানৰ লেণ্ডাৰসমূহ চন্দ্ৰৰ অত্যন্ত প্ৰতিকূল বতৰতো সুৰক্ষিত থাকিব পাৰিব।

বেংগালুৰুত অনুষ্ঠিত এখন সন্মিলনত ইছৰোৰ অধ্যক্ষ ভি নাৰায়ণে এই কথা সদৰী কৰে। তেওঁ লগতে উল্লেখ কৰে যে চন্দ্ৰযান-৩ৰ বিক্ৰম লেণ্ডাৰ সৌৰশক্তিৰ ওপৰত নিৰ্ভৰশীল আছিল বাবে চন্দ্ৰত মাত্ৰ ১৪ দিনহে কাৰ্যক্ষম আছিল। কিন্তু নতুন প্ৰযুক্তিৰ সফল প্ৰয়োগৰ মাধ্যমেৰে লেণ্ডাৰসমূহে চন্দ্ৰৰ প্ৰতিকুল বতৰৰ পৰা ৰক্ষা পৰি ২০০ দিনলৈ অনায়াসে কাম কৰি থাকিব পাৰিব। উল্লেখযোগ্য যে - চন্দ্ৰপৃষ্ঠত দিন আৰু ৰাতিৰ সময়ছোৱা প্ৰায় ১৪ দিনকৈ হয় আৰু এই সময়ছোৱাত চন্দ্ৰৰ তাপমাত্ৰা ১২১ ডিগ্ৰী চেলছিয়াছলৈ বৃদ্ধি হোৱাৰ বিপৰীতে নিশাৰ ভাগত মাইনাছ ১২৯ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত হ্ৰাস পায়।

এই উন্নত প্ৰযুক্তিৰ সমান্তৰালভাৱে ইছৰোৱে দেশৰ বিভিন্ন গৱেষণা প্ৰতিষ্ঠানৰ সৈতে সহযোগিতাৰ হাত আগবঢ়াইছে। বিশেষকৈ চিএছআইআৰ(CSIR)ৰ সৈতে ৪টা প্ৰযুক্তিগত ক্ষেত্ৰত কাম কৰিবলৈ সংস্থাটোৱে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ উপৰি অতি আকাংক্ষিত 'গগনযান' অভিযানৰ বাবে মহাকাশৰ স্বাস্থ্যসেৱা প্ৰযুক্তিৰ উন্নয়নৰ অৰ্থে বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ লগতে ব্যক্তিগত খণ্ডৰ সৈতেও সংস্থাটোৱে সমন্বয় ৰক্ষা কৰি চলিছে। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত শেহতীয়াকৈ সম্পন্ন হোৱা মাইক্ৰ'গ্ৰেভিটি পৰীক্ষাসমূহতো ইছৰোৱে জৈৱ প্ৰযুক্তি বিভাগৰ সৈতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই বহুমুখী সহযোগিতামূলক পদক্ষেপসমূহে ভাৰতক মহাকাশ বিজ্ঞানৰ ক্ষেত্ৰত প্ৰভাৱশালী শক্তিৰূপে প্ৰতিষ্ঠা কৰিব বুলি আশা কৰা হৈছে।

ooooo

আইচিচি মহিলা টি-২০ ক্ৰিকেট বিশ্বকাপত আজি ভাৰত নিজৰ প্ৰথমখন খেলত চিৰবৈৰী পাকিস্তানৰ মুখামুখি হ'ব। খেলখন বাৰ্মিংহামৰ এজবেষ্টনত ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে মহিলা টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত পাকিস্তানৰ বিৰুদ্ধে সদায় অদমনীয় প্ৰদৰ্শন কৰি অহা ভাৰতে শেহতীয়া ১৬খন খেলৰ ভিতৰত ১৩খনতে জয়লাভ কৰিছে।

ইপিনে, বিশ্বকাপৰ গ্ৰুপ-বি'ৰ যোৱাকালিৰ এখন খেলত স্কটলেণ্ডে আয়াৰলেণ্ডক ৪০ ৰানত পৰাস্ত কৰে। মানচেষ্টাৰৰ অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত খেলখনত প্ৰথমে বেটিং কৰি স্কটলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেট হেৰুৱাই ১৬১ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে আয়াৰলেণ্ডে ১৯ অ'ভাৰ আৰু ১ বলত ১২১ ৰানতে ইনিংছ সামৰে।

ইয়াৰ পূৰ্বে, এজবেষ্টনত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত আয়োজক ইংলেণ্ডে শ্ৰীলংকাক ৮৭ ৰানৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰিছিল।

ooooo

ফিফা বিশ্বকাপ ২০২৬ৰ তৃতীয় দিনা কাটাৰ আৰু ছুইজাৰলেণ্ডৰ মাজত ছান ফ্ৰেন্সিচকো বে' এৰিয়া ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেল ড্ৰ' হয়। ছুইজাৰলেণ্ডে এটা গ'লত আগবাঢ়ি আছিল যদিও খেল সমাপ্ত হোৱাৰ আগমুহূৰ্তত কাটাৰে এটা গ'ল দি সমতা স্থাপন কৰে।

ভাৰতীয় সময় অনুসৰি আজি পুৱতি নিশা চাৰে ৩ বজাত ব্ৰাজিল আৰু মৰক্কোৰ মাজত অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেল ১-১ গ’লত ড্ৰ’ হয়। ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৬ বজাত অনুষ্ঠিত গ্ৰুপ-চিৰ আন এখন খেলত স্কটলেণ্ড হেইটীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। তদুপৰি পুৱা চাৰে ৯ বজাত অনুষ্ঠিত হ’বলগীয়া গ্ৰুপ-ডিৰ এখন খেলত অষ্ট্ৰেলিয়া তুৰ্কীৰ মুখামুখি হোৱাৰ বিপৰীতে নিশা চাৰে ১০ বজাত জাৰ্মানী আৰু কুৰাকাওৰ মাজত গ্ৰুপ-ইৰ এখন খেল অনুষ্ঠিত হ’ব।

ooooo

ভাৰত আৰু আফগানিস্তানৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ ধৰমশালাত অনুষ্ঠিত কালিৰ প্ৰথমখন খেলত ভাৰতে সাত উইকেটত জয়লাভ কৰিছে।

বৰষুণৰ বাবে ২৫ অ'ভাৰলৈ হ্ৰাস কৰা খেলখনত টছত জয়ী হৈ ভাৰতে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লোৱাৰ পাছত আলহী দলটোৱে ২৪ অ'ভাৰ আৰু ৫ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৪ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। আফগানিস্তানৰ হৈ ৰহমানুল্লাহ গুৰবাজে ৫১টা বলত ১০২ ৰান কৰাৰ বিপৰীতে ভাৰতৰ হৈ অভিষেক ঘটোৱা হৰ্ষ দুবে আৰু গুৰনুৰ ব্ৰাৰে তিনিটাকৈ উইকেট দখল কৰে।

ইপিনে ১৯৫ ৰানৰ লক্ষ্য সন্মুখত ৰাখি বেটিং কৰিবলৈ নমা ভাৰতে ২২ অ'ভাৰ ৫ বলত তিনিটা উইকেট হেৰুৱাই বিজয় সুনিশ্চিত কৰে। ৬৬টা বলত ৮৪ ৰান কৰি আউট নোহোৱাকৈ থকা অধিনায়ক শুভমন গিলক 'প্লেয়াৰ অৱ দ্য মেচ' ঘোষণা কৰা হয়।

শৃংখলাৰ দ্বিতীয়খন খেল অহা ১৭ জুনত লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰী অটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ’ব।

ooooo

সমাপ্ত